ভাষণৰত অৱস্থাত আমাৰ কলেজৰ অধ্যক্ষ
শ্ৰীযতীন্দ্ৰ চন্দ্ৰ নাথ।





অসমৰ শিক্ষাধিকৰ্তা ড° শৈলজানন্দ ভড়ালীদেৱে
নৱাগত আদৰণী সভাত ভাষণ
দি থকা অৱস্থাত।


# ।। ১৯৮৫-৮৬ ইং চনৰ ছাত্ৰ একতা সভাৰ কৰ্মকৰ্তাসকল ।।



বাওঁকালব পবা (বহি)—সর্বশ্রী দ্বিজেন্দ্র নাথ দাস, ভাবপ্রাপ্ত অধ্যাপক ঃ ক্রীড়া, দিলীপ কুমাব দাস, ভাবপ্রাপ্ত অধ্যাপক ঃ সাংস্কৃতিক, প্রশান্ত বুঢ়াগোহাঁই, ভাবপ্রাপ্ত অধ্যাপক, ছাত্র জিবণি কোঠা, দেবেন্দ্র নাথ শর্মা, ভাবপ্রাপ্ত অধ্যাপক ঃ সমাজ সেৱা, অধ্যক্ষ যতীন্দ্র চন্দ্র নাথ ঃ সভাপতি, অধ্যাপক শবৎ চন্দ্র তালুকদাব, উপ সভাপতি, ঃ ধর্মকান্ত বৰুৱা, ভাবপ্রাপ্ত অধ্যাপক ঃ জৱাহৰ জ্যোতি, কণু অধিকাবী, ভাবপ্রাপ্ত অধ্যাপিকা ঃ তর্ক আৰু আলোচনা মনিষা ভট্টাচার্য, ভাবপ্রাপ্ত অধ্যাপিকা ঃ ছাত্রী জিবণি কোঠা ।

বাওঁকালব পবা (থিয়হৈ)—সর্বশ্রী ক্ষীবোদ শর্মা, সাধাবণ সম্পাদক ঃ ছাত্র একতা সভা, বিবিঞ্চি কুমাব ৰাভা, সম্পাদক ঃ জৱাহৰ জ্যোতি, নন্দ কুমাব বড়ো, সম্পাদক ঃ ক্রীড়া, বুলু বাণী দাস, সম্পাদিকা ঃ ছাত্রী জিবণি কোঠা, বীতা বসাক, সম্পাদিকা ঃ তর্ক আৰু আলোচনা, মিচ্ চাজিদা চুলতানা, শ্রেণী প্রতিনিধি, জগোবন্ধু চৌধুবী, সম্পাদক ঃ সাংস্কৃতিক, প্রসন্ন অধিকাবী, সম্পাদক ঃ সমাজ সেৱা, হবেণ ৰাভা ঃ শ্রেণী প্রতিনিধি, তৰুণ চন্দ্র বড়ো, সম্পাদক ছাত্র জিবণি কোঠা, মঃ তাহেব আলি লাইব্রেবী বেয়াবাব আৰু মহেশ দাস চৌকিদাব ।

# সম্পাদকৰ কলম ঃ



**সাহিত্যৰ প্ৰসঙ্গ ঃ** সাহিত্যই সমাজ আৰু সভ্যতাক আচ্ছন্ন কৰি ৰাখে। সমাজ আৰু সভ্যতাৰ ক্ৰমবিকাশত সাহিত্যৰ প্ৰয়োজনীয়তা আৰু প্ৰাসঙ্গিকতা অনস্বীকাৰ্য। সমাজ আৰু সভ্যতাৰ অগ্ৰগতিৰ লগে লগে সাহিত্যই পৰিবৰ্তিত পৰিবৰ্দ্ধিত আৰু পৰিপক্ক ৰূপ ধাৰণ কৰে. আৰু ইয়ে সমাজ আৰু সভ্যতাৰ গতিশীলতাক সজীৱ আৰু পৰিপুষ্ট কৰি ৰাখে আৰু লগতে ইয়াক বৈচিত্ৰময়, ছন্দময় আৰু মধুময় কৰি তোলে। মানৱ সমাজৰ সমাজনীতি ৰাজনীতি. ৰাষ্ট্ৰনীতি, অৰ্থনীতি, ধৰ্ম্মনীতি আদি সকলো ক্ষেত্ৰতে সাহিত্যৰ প্ৰভাৱ সুদূৰপ্ৰসাৰী আৰু তাৎপৰ্যপূৰ্ণ। মানুহৰ মানসিক, আধ্যাত্মিক আৰু বৌদ্ধিক জ্ঞান বিকাশৰ ক্ষেত্ৰতো সাহিত্যৰ মৌলিকতা অৱভাৱনীয় উপজীৱ্য। সাহিত্যই মানুহক অমৰ, মহীয়ান আৰু জনপ্ৰিয় কৰি তোলে। সাহিত্যই মানুহৰ দুখময়, বেদনাময় আৰু অৱসাদময় জটিল জীৱন ধাৰালৈ আনি দিয়ে অনাবিল প্ৰশান্তিৰ পৰমানন্দৰ অমৃত সুধা। সাহিত্যই বিশ্বমানৱৰ মাজত ভৌগোলিক দূৰত্ব কমাই আনে। বিশ্বমানৱ গোষ্ঠীৰ মাজত থকা ভুল বুজা-বুজি আৰু ৰক্ষণশীল মনোভাৱ দূৰীভূত কৰে। সাহিত্য হ'ল মানৱ হৃদয়ৰ সূক্ষ্মতম অনুভূতিৰ সুকুমাৰ কলা। এই কলাৰ দ্বাৰা আমাৰ হৃদয়ৰ চিন্তা, চেতনা, আদৰ্শ, দৰ্শন, ভাৱ, অনুভূতি, কল্পনা, তন্ময়তা, বিস্ময়তা আদিয়ে সাহিত্যৰূপে প্ৰকাশ পায়। মানৱ জীৱনৰ ৬৪ টা কলাৰ ভিতৰত সাহিত্যকে (কবিতা) শ্ৰেষ্ঠ সুকুমাৰ কলা হিচাপে স্বীকৃতি দিয়া হৈছে।

সাহিত্য মূলত ঃ দুটা ভাগত ভগাব পাৰি—ভাৱবাদী সাহিত্য আৰু বস্তুবাদী সাহিত্য। বৰ্তমান অৱক্ষয়, ৰুগ্ন, ৰক্ষণশীল আৰু জটিল সমাজ ব্যৱস্থাত ভাৱবাদী সাহিত্যৰ প্ৰভাৱ ক্ৰমশঃ হ্ৰাস পাই আহিছে। কাৰণ ভাৱবাদী সাহিত্যৰ মৰ্মাৰ্থ অন্তঃসাৰশূন্য আৰু ই মানুহৰ জৈৱিক তাড়নাক অস্বীকাৰ কৰে। এই সাহিত্য কেৱল নৈসৰ্গিক দৃশ্য, যৌন স্পৃহা, ব্যক্তিগত লাভালাভ আৰু সস্তিয়া বিষয় বাসনাৰ মাজত সীমাবদ্ধ। ই মানুহৰ অভাৱ মোচনৰ কাৰ্যকৰী সিদ্ধান্ত দিব নোৱাৰে। আনহাতে বস্তুবাদী সাহিত্যৰ আবেদন অতি সন্তোষজনক। কাৰণ ইয়াৰ

প্ৰভাৱ আৰু চাহিদা বৰ্ত্তমান সমাজ ব্যৱস্থাত দ্ৰুতগতিত অগ্ৰগতি লাভ কৰিব ধৰিছে। এই সাহিত্য গণমুখী চিন্তা আৰু চেতনাৰে আচ্ছন্ন। এই সাহিত্যই মানুহ আৰু মাটিৰ মাজত নিৰ্লোভ খাতিৰ গঢ়ি তোলে। মানৱ জীৱনৰ সংগ্ৰামত এই সাহিত্যই মুক্তি আৰু স্বাধীনতাৰ যথাৰ্থতাৰ ঘোষণা কৰে। এই সাহিত্যৰ সুমিষ্ট ৰসে মানুহৰ কলিজাত গণতন্ত্ৰৰ আদৰ্শ ধ্বনিত কৰি তোলে। এই শ্ৰেণীৰ সাহিত্যই কৃষক, বনুৱা, শোষিত, পীড়িত, লাঞ্ছিত, বঞ্চিত, আশ্ৰয়হীন আৰু মৃত্যুমুখী মানুহৰ হকে বলিষ্ঠ অস্ত্ৰ ধাৰণ কৰে। এনে সাহিত্যই সমাজ ব্যৱস্থাৰ আমূল পৰিবৰ্তন বিচাৰে। ই সমাজত ন্যায়, সমতা আৰু ভ্ৰাতৃত্বৰ সমিলমিল হোৱাটো বিচাৰে। এই সাহিত্য সদায় বিশ্বজনীন ভাৱাপন্ন আৰু ইয়াৰ আবেদন সমগ্ৰ মানৱ গোষ্ঠীৰে চিৰন্তন আদৰ্শ। এই সাহিত্য স্থানহীন, কালহীন আৰু পাত্ৰহীন মানৱতাৰ এক উৎকৃষ্ট নমুনা। ইয়াৰ পৰিপুষ্ট আত্মা আৰু ইয়াৰ সাৰ্থকশীল চেতনাই মানুহৰ বুকুৰে বুকুৰে আশাৰ প্ৰত্যয় কঢ়িয়াই আনে আৰু ইয়ে মানুহৰ মাজত ক্ৰান্তিকাৰী চেতনা আৰু সমাজবাদী ধাৰণাৰ পথ উন্মুক্ত কৰি তোলে। সেয়েহে এই সাহিত্যৰ সৰ্ববসম্মত আৰু সন্তোষজনক সিদ্ধান্তৰ ৰস পান কৰিবলৈ সমগ্ৰ মানৱ গোষ্ঠীয়ে উদ্‌বাউল হৈ পৰে।

একান্ত ব্যক্তিগত আবাৰ চেৰেক : চিন্তাশীল আৰু মননশীল এটা সম্পাদকীয় নিৰন্ধ লিখাৰ সাহস তথা দৃঢ় মানসিকতাবোধ এই দুয়োটাৰে মোৰ ক্ষেত্ৰত খুব অভাৱ অনুভৱ কৰিছোঁ। আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ সীমাবদ্ধ লিখনি, অৰ্থৰ অভাৱ আৰু বিভিন্ন কাৰণবশতঃ 'জৱাহৰ জ্যোতি' আলোচনীখন আশা কৰা আৰু পৰিকল্পনা মতে কলেৱৰ বৃদ্ধি আৰু সজাব নোৱাৰি নিজকে খুব দোষী যেন উপলব্ধি কৰিছোঁ। আলোচনী সম্পাদনাৰ কালছোৱাত আমাৰ ছাত্ৰ-ছাত্ৰী সকলৰ মৌলিক লিখনিৰ অভাৱে আৰু তেওঁলোকৰ সাহিত্য চৰ্চ্চাৰ প্ৰতি উদাসীনতাই মাজে মাজে মোক চিন্তিত, শংকিত আৰু হতাশ কৰি তুলিছিল। আমাৰ ছাত্ৰ-ছাত্ৰী সকল সাহিত্য চৰ্চ্চাৰ প্ৰতি কিয় ইমান অমনোযোগী মই ভাবি পাব নাপাওঁ। আশাকৰোঁ, আগলৈ আমাৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সাহিত্য চৰ্চ্চাৰ গতিশীলতা নিয়মিতভাৱে বোজাই ৰাখিবলৈ সমৰ্থ হ'ব।

এইখিনিতে বৰ দুখেৰে ব্যক্ত কৰিব লগা হৈছে যে আমাৰ মহাবিদ্যালয়ৰ শিক্ষাগুৰু সকলৰ পৰা কেইটামান মূল্যবান আৰু তথ্য সম্বলিত প্ৰবন্ধ পাইয়ো প্ৰবন্ধবোৰ দীঘল হোৱাৰ বাবেই আলোচনীত প্ৰকাশ কৰিব পৰা নগ'ল। কাৰণ আলোচনীখন সীমিত কলেৱৰ আৰু সীমিত পুঁজিৰে সীমাবদ্ধ। তাৰ বাবে শিক্ষাগুৰু সকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ। এখন সুন্দৰ, নিকা আলোচনী সময়মতে আপোনালোকৰ হাতে হাতে তুলি দিব নোৱাৰাৰ বাবে মই কিন্তু লজ্জিত হৈছোঁ। আলোচনীৰ সম্পাদনাৰ কালছোৱাত মই যি তিতা-কেঁহা অভিজ্ঞতাৰ মুখা-মুখি হৈছিলোঁ সেই কথাবোৰ মই জীৱনত কেতিয়াও পাহৰিব নোৱাৰিম কিজানি। আলোচনীখনৰ মানদণ্ডৰ বিচাৰ্যৰ ভাৰ আপোনালোকৰ হাততে তুলি দিছোঁ। মোৰ ব্যৰ্থতা, অসমৰ্থতা আৰু আন কাৰণবশতঃ যদি আলোচনীত কিবা দোষ, ত্ৰুটি থাকি যায়, তাৰ

বাবে মোক আপোনালোকে ক্ষমা নকৰিবনে ?!

**কৃতজ্ঞতা স্বীকাৰঃ** জয় জয়তে সম্পাদনা সমিতি (অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথঃ সভাপতি. অধ্যাপক শৰৎ তালুকদাৰঃ উপসভাপতি, অধ্যাপক ধৰ্ম্ম-কান্ত বৰুৱাঃ তত্বাৱধায়ক, অধ্যাপক বসন্ত দত্তঃ সদস্য, অধ্যাপক দিলীপ দাসঃ সদস্য, অধ্যাপক খগেশ সেন ডেকাঃ সদস্য, ক্ষীৰোদ শৰ্ম্মাঃ সদস্য, আৰু ভুষণ ঠাকুৰীয়াঃ সদস্য), আলো-চনী খনিৰ লিখক লিখিকা সকল আৰু আলোচনীৰ প্ৰবন্ধ, গল্প, কবিতাৰ প্ৰতিলিপি যুগুতাই দিয়া সকলৰ শলাগ লৈছোঁ। আলোচনীৰ বিভিন্ন দিশত পৰম পূজ্য অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ আৰু অধ্যাপক ধৰ্ম্মকান্ত বৰুৱা চাৰে দিহা-পৰামৰ্শ দি দায়িত্ব পালনত সহায় কৰা হেতু তেখেত সকলক মই কেতিয়াও পাহৰিব নোৱাৰোঁ। আমাৰ মহাবিদ্যালয়ৰ ভূগোল বিজ্ঞানৰ প্ৰাক্তন অধ্যাপক পৰমানন্দ মজুমদাৰ চাৰে এটি প্ৰৱন্ধ আগবঢ়াই আলোচনীখনি সমৃদ্ধ কৰাৰ বাবে তেখেতৰ শলাগ লৈছোঁ। আলোচনী খনিৰ আৰম্ভণিৰ পৰা অন্তলৈ সহায়-সহযোগ আগবঢ়োৱাৰ বাবে এই সকল বন্ধু-বান্ধৱীলৈকো মোৰ আন্তৰিক শুভেচ্ছা নিবেদিছোঁ—সৰ্বশ্ৰী অমূল্য ৰাভা, কমল ৰাভা, গিৰীশ বড়ো, অমিয় ৰাভা, নন্দলাল তুলশী-য়াৰী, ভোগেশ্বৰ ৰাভা, দিলীপ বড়ো, মৃণাল নাথ, দেৱ ৰাভা, বিষ্ণু দাস, মহেন্দ্ৰ দাস. কৰ্মেশ্বৰ দাস, গোলাপ দাস, শচীন বড়ো, বিনন্দ ৰাভা, ফৰিদুল ইছলাম, বাবুল শৰ্ম্মা, কণমাই ৰাভা, বীণা পাঠক, প্ৰতিভা দাস, জয়ন্তী দেৱী, কনকলতা বায়ন আৰু চিত্ৰা কলিতা। আমাৰ মহাবিদ্যালয়ৰ (উচ্চ আৰু নিম্ন বৰ্গৰ) কাৰ্য্যালয় সহায়ক শ্ৰীকনক দাস, শ্ৰীশৈলেন শৰ্ম্মা আৰু চতুৰ্থ বৰ্গৰ কৰ্মচাৰী মহেশ দাস, তাহেৰ আলী আৰু জগদীশ মহতোকো ধন্যবাদ জনাইছোঁ। সদৌ শেষত বকো 'ৰূপা ষ্টুডিঅ'ৰ ফটো গ্ৰাফাৰ আৰু মিৰ্জা 'জনতা ছপাশাল'ৰ স্বত্বাধিকাৰী আৰু সমূহ কৰ্মচাৰীলৈ অকৃত্ৰিম কৃতজ্ঞতাৰ শৰাই আগবঢ়াই 'জৱাহৰ জ্যোতি'ৰ সৰ্বাংগীন প্ৰগতি কামনাৰে প্ৰতিবেদন সামৰিলোঁ।


ধন্যবাদেৰে—

**'জয়তু জৱাহৰ জ্যোতি'**

**শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা**

সম্পাদক, 'জৱাহৰ জ্যোতি'

তাং- ১০।১০।৮৬ ইং।



# ঃ ১৯৮৫-৮৬ ইং চনৰ ছাত্ৰ একতা সভাৰ কৰ্মকৰ্ত্তাসকল ঃ

অধ্যক্ষ যতীন্দ্ৰ চন্দ্ৰ নাথ ঃ সভাপতি ।

অধ্যাপক শৰৎ তালুকদাৰ ঃ উপসভাপতি ।

অধ্যাপক ধৰ্মকান্ত বৰুৱা ঃ তত্বাৱধায়ক, “জৱাহৰ জ্যোতি”

দ্বিজেন দাস ঃ ভাৰপ্ৰাপ্ত অধ্যাপক, ক্ৰীড়া বিভাগ ।

দিলীপ দাস ঃ ভাৰপ্ৰাপ্ত অধ্যাপক, সাংস্কৃতিক বিভাগ ।

দেবেন্দ্ৰ নাথ শৰ্মা ঃ ভাৰপ্ৰাপ্ত অধ্যাপক, সমাজ সেৱা বিভাগ ।

প্ৰশান্ত বুঢ়াগোহাঁই ঃ ভাৰপ্ৰাপ্ত অধ্যাপক, ছাত্ৰ জিৰণি কোঠা ।

মনীষা ভট্টাচাৰ্য্য ঃ ভাৰপ্ৰাপ্ত অধ্যাপিকা, ছাত্ৰী জিৰণি কোঠা ।

ৰুণু অধিকাৰী ঃ ভাৰপ্ৰাপ্ত অধ্যাপিকা, তৰ্ক আৰু আলোচনা বিভাগ ।

ক্ষীৰোদ শৰ্মা ঃ সাধাৰণ সম্পাদক, ছাত্ৰ একতা সভা ।

বিৰিঞ্চি কুমাৰ ৰাভা ঃ সম্পাদক, “জৱাহৰ জ্যোতি” ।

বীতা বসাক ঃ সম্পাদিকা, তৰ্ক আৰু আলোচনা বিভাগ ।

জগোবন্ধু চৌধুৰী ঃ সম্পাদক,সাংস্কৃতিক বিভাগ ।

নন্দ কুমাৰ বড়ো ঃ সম্পাদক, ক্ৰীড়া বিভাগ ।

প্ৰসন্ন অধিকাৰী ঃ সম্পাদক, সমাজ সেৱা ।

তৰুণ চন্দ্ৰ বড়ো ঃ সম্পাদক, ছাত্ৰ জিৰণি কোঠা ।

বুলুৰাণী দাস ঃ সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা ।

হৰেণ ৰাভা ঃ শ্ৰেণী প্ৰতিনিধি ।

কুমাৰী চাজিদা চুলতানা ঃ শ্ৰেণী প্ৰতিনিধি ।

কবিতা

# ॥ মই কবি ক্ৰান্তি কালৰ ॥

শ্ৰীবিৰিঞ্চি কুমাৰ ৰাভা
১ম বাৰ্ষিক স্নাতক

মই কবি ক্ৰান্তি কালৰ ।
ক্ৰান্তি কালতে বৰ্তমান মোৰ অৱস্থান ।
মানুহৰ তেজৰ কোঁহে কোঁহে মই প্ৰসাৰিত কৰি দিওঁ
ক্ৰান্তি কালৰ আসন্ন পৰিবেশ ।
মহাকায় নদীৰ উৰ্বৰা উপত্যকাত থিয় হৈ নাঙলৰ সীৰলুৱে সীৰলুৱে
উন্মোচন কৰোঁ গণমুখী চিন্তা আৰু চেতনা ।
মাটি আৰু মানুহৰ আন্তৰিকতাত মই স্থাপন কৰোঁ
গাৰ্ভিন স্বপ্ন, প্ৰোজ্জ্বল প্ৰত্যাশাৰ নিৰ্মোহ সম্পৰ্ক ।
মোৰ কলিজাৰ শিৰাই উপশিৰাই সোমাই আছে
ক্ৰান্তি কালৰ সুস্থ বাতাৱৰণ ।
মোৰ কবিতাৰ ৰক্ত মাংসত উত্তোলন কৰোঁ
ক্ৰান্তি কালৰ অনুমোদিত ৰক্তাভ নিচান ।
মোৰ কল্পনা আৰু আদৰ্শতে আচ্ছন্ন হয়
অমল অমোঘ উৎসৰ ।
প্ৰতিটো অনিবাৰ্য ৰাতিপুৱাৰ উমাল ৰ'দৰ যাদুকৰী মায়াত
মই ৰোপণ কৰোঁ গতিশীল গণতন্ত্ৰৰ বীজ ।
মই কবি ক্ৰান্তি কালৰ ।
আকাশ, বতাহ, মাটি, গছ-লতা, ডাল-পাতত মই ক্ৰমশঃ
বিয়পাই দিওঁ ক্ৰান্তি কালৰ প্ৰাত্যহিক উৎস ॥

[ বিঃ দ্ৰঃ—উক্ত কবিতাটি গুৱাহাটী কমাৰ্চ কলেজে ১৯৮৬ ইং চনৰ বাবে সদৌ অসম ভিত্তিত আয়োজন কৰা কবিতা প্ৰতিযোগিতাত প্ৰথম পুৰস্কাৰপ্ৰাপ্ত । ]

## ঃ মোৰ স্বপ্ন ঃ

শ্ৰীকন্দৰ্প বড়ো
স্নাতক প্ৰথম বাৰ্ষিক

ধাৰাসাৰ বৰষুণৰ পিছত
মই দেখা পালোঁ।
আশাৰ ৰঙীন সূৰ্যটি,
মোৰ ভাল লাগিছে
পথাৰে পথাৰে সিঁচি দিম
মোৰ বহুদিনীয়া সঞ্চিত স্বপ্ন।

## নতুন আশা

শ্ৰীনন্দ লাল তুলশীয়াৰী
১ম বাৰ্ষিক উঃ মাঃ

পুৱাৰ আকাশত
প্ৰতিশ্ৰুতিৰ ৰাঙলী পোহৰ
সেই পোহৰৰ মাজতেই
মোৰ সৃষ্টি,
কোমল ৰেখাৰে অঁকা
এটি দীৰ্ঘতম সেন্দূৰীয়া আলি
মই গৈ আছোঁ সেই পথেৰে··· ·· ···
মই গৈ আছোঁ ঃ

পুৱাৰ আকাশত
প্ৰতিশ্ৰুতিৰ বাঙলী পোহৰ
সেই পোহৰত এন্ধাৰ আঁতৰিব
সেই পোহৰত নতুন আশাৰ মলয়া বলিব ॥

## অন্বেষণ

শ্ৰীমৃণাল কুমাৰ নাথ
স্নাতক ১ম বাৰ্ষিক

মোৰ কলিজা খান্দি
খেপিয়াই খেপিয়াই চাওঁ
মোৰ প্ৰেমৰ কবিতা।
মোৰ ৰক্তৰ নদীত
বিচাৰি যাওঁ
মোৰে প্ৰেমৰ আলিঙ্গন
এচেৰেঙা উমাল ৰ'দত
অন্বেষণ কৰোঁ এখন
নতুন পৃথিৱী ॥

## অপৰাজেয়

কুমাৰী বীণা কলিতা
স্নাতক ২য় বাৰ্ষিক

এই কালত
আমাৰ যৌৱন
দীপ্তিময় আৰু
প্ৰত্যাশা মুখৰ।
আমাৰ গতি
সত্যৰ পিনে
নিয়তিৰ নিষ্ঠুৰতাক নেওচি
আমি গৈ আছোঁ
জীৱনৰ জয় গান গাই ;
আমাৰ কবিতাই
কালৰ সীমা চেৰাই
বহু প্ৰত্যাশা লৈ জীয়াই আছে
জীয়াই থাকিব ॥

× ×

## ॥ আবেগৰ ছায়া ॥

শ্ৰীভোগেশ্বৰ ৰাভা
উঃ মাঃ ২য় বাৰ্ষিক

যৌৱনৰ উদগ্ৰ আহ্বানত
তুমি যেন পিয়াহৰ একাজলি পানী।
নিৰিবিলি 'অলকানন্দাই' আনিছে নমাই
মেঘালিৰ ৰূপৰ দুটি টুকুৰা বুকুত।
সেয়াই দুচকুত আলোকিত কৰিছে,
স্বপ্নৰ দাপোণত হীৰা, মুকুতা-মণি সদৃশ কুসুম।
পোৱা আৰু নোপোৱাৰ
আবেগৰ দ'লদ'প ;
উৰিছে দিগন্তলৈকে
ঘাত আৰু প্ৰতিঘাত
নেওচন, বিসৰ্জন,
তোমাৰ বাবেই কত
অদ্ভুত শুভ পণ।
সীমাহীন চিন্তাই কতবাৰ উৰিছে
স্বৰ্গ-মৰ্ত্ত্য পাতাল ভেদি
মাথো তোমাৰ বাবেই।
তুমি যেন পিয়াহৰ একাজলি পানী!

# ঃ আশ্বাস ঃ

শ্ৰীমদন কলিতা
উঃ মাঃ ১ম বাৰ্ষিক ।

অস্তমিত সূৰুযৰ বাঙলি কিৰণ পৰি
পূৰ্ণিমাৰ মুখখন জ্বলি উঠিছে
দুগাল তিয়াই বৈ আহিছে দুধাৰি চকুলো
সেই চকুলোত উটি যাব খোজে
পূৰ্ণিমাৰ আশা প্ৰত্যাশা আৰু
অনাগত স্বপ্ন
ধনেশ্বৰে ক'লে সৰগৰ পৰা
নাকান্দিবা তুমি
সহস্ৰ জনৰ চকুত অগ্নি বৰষিছে
পিঞ্জৰাবদ্ধ বাঘৰ দৰে চিঞৰি উঠিছে
শোষণ শৃংখল দলিয়াই দিব
জ্বলি উঠা জুইকুৰা দুগুণে জ্বলিছে
আমি তাত ঘিউহে ছটিয়াইছোঁ।
শান্তিৰে শুৱা তুমি
বাইজে কোলা পাতি দিছে ।

# ॥ মই বিচাৰোঁ ॥

শ্ৰীগিৰীশ বড়ো
স্নাতক ১ম বাৰ্ষিক

মই বিচাৰোঁ প্ৰচণ্ড ৰ'দে পোৰা
কৃষকৰ হিয়াই হিয়াই
শীতল মধুৰ পাইন গছৰ ছাঁ দিবলৈ ।
নাঙলৰ সীৰলুৱে সীৰলুৱে
প্ৰসাৰিত কৰি দিব বিচাৰোঁ।
মোৰ কবিতাৰ ৰক্ত কলিজা ।
লাঞ্চিত বঞ্চিত জনৰ শিৰাই উপশিৰাই
মই সোমাই যাবলৈ বিচাৰোঁ।
গণ তন্ত্ৰৰ স্বাদ দিবলৈ ।
মাটি আৰু মানুহৰ মাজত
মই নিবিড় সম্পৰ্ক স্থাপন
কৰিব বিচাৰোঁ।
বাঞ্চিত চিন্তা আৰু চেতনাৰে ।



## ঃ উপলব্ধি ঃ

শ্ৰীভুবণ ঠাকুৰীয়া
স্নাতক প্ৰথম বাৰ্ষিক

এতিয়াহে অনুভৱ কৰিছোঁ।
হেঙুলি ৰ'দৰ দৰে
তুমি যে আছিলা
অতদিনে ···· ·······
অবুজ মৰম লৈ
বুকুৰ ভিতৰখন জুৰি,
কিন্তু হায় ·· ···
তুমি অবিহনে
জগতখন যেন নিমাও মাও
শুকান নৰাৰে ভৰা
এখনি উদং পথাৰ –
শূইনতে দেখিলোঁ যেন
ৰ'দৰ কাঁড়বোৰে
হৃদয় থকা-সৰকা কৰিছে
অনুভৱ কৰিছোঁ –
শান্তি, প্ৰীতি, মৈত্ৰীৰ সমদল এটাই
মোৰ ৰক্ত প্ৰবাহত তুলিছে
এক তীব্ৰ পিৰ্ পিৰণি।
ৰূপালী ৰঙৰ এখনি নতুন আকাশ
কেতিয়া আনিব পাৰোঁ।
নতুন প্ৰভাত
তাৰে অপেক্ষাত ·· ·· · · ·· !

## ॥ গতি আৰু প্ৰগতি ॥

শ্ৰীদিলীপ চৌধুৰী
উঃ মাঃ ১ম বাৰ্ষিক

স্মৃতিৰ কুঁৱলি ফালি মনৰ পৰ্দাত
ভাহি উঠিল অলেখ অসংখ্য ছবি।
শিয়ালটোৱে ভাবিলে এতিয়া
আকাশ সমুদ্ৰৰ ৰহস্য সুধিবলৈ
আৰু কোনো নাই,
পাহৰি গ'ল পৰিবেশ কিবা এক
অচিন কল্পনা ৰাজ্যত সোমাই
জীৱনৰ সকলো ক্লান্তি, করুণতা
ঢাকি ৰাখি আকাশৰ শূন্যতাত
নিজক বিমল আনন্দৰ অৰণ্যত
উটুৱাই দিয়াই হিন্দুৰ ধৰ্ম
এয়ে জ্ঞানী লোকৰ মৰ্ম
গতিৰ চিৰন্তন পৰিক্ৰমা।
আকাশ সমুদ্ৰৰ ৰহস্য উদ্ধাৰিবলৈ
ওলাল নতুন মানুহ
ধুমুহাই ডাৱৰ আঁতৰাই নিয়াত
আকাশত নতুন সূৰ্যৰ আবিৰ্ভাৱ
নতুন দেশৰ গাঁৱে চহৰে
আনন্দৰ জয়ধ্বনি
প্ৰতিজনৰ মনত আজি
নতুন আশাৰ ৰেঙণি
বিচাৰিছে মানুহৰ প্ৰগতি। ×

# ঃ অপৰাজেয় ঃ

শ্ৰীবংশীধৰ কলিতা
স্নাতক প্ৰথম বাৰ্ষিক

অব্যক্ত আবেদন বুকুত লৈ জিব জিবকৈ
বৈ আহিছিল এটি মিঠালগা নিজৰা
এদিন কাল সন্ধিয়া মই লগ পাইছিলোঁ।
কৈছিলোঁ। এটি অনাঘ্ৰাত ফুলৰ কথা
তাই মোৰ বুকুত থিয় হৈ খেপিয়াইছিল
অনল গীতৰ পাপৰি।
মই এদিন বীণখনি হাতত লৈছিলোঁ।
তাইৰ আঁকোৰগোজ মনোভাৱৰ পবাই
কিন্তু হঠাৎ ধুমুহা এজাক আহি
মোৰ বীণখনি ছিন্ন-ভিন্ন কৰি গুচি গ'ল।
অট্টহাস্যৰ সমদলত মোৰ কণ্ঠ মুকলি হ'ল।
মই প্ৰতিবাদৰ ভাষা বিচাৰি অতীতলৈ গৈছিলোঁ।
স্মৃতিৰ এল্‌বামত মোৰ সাঁচতীয়া বীণখনিৰ মূৰ্চ্ছনা
এতিয়াও মোক ব্যথিত কৰে তাইৰ করুণ
আৰু অসহায় চাৱনিয়ে।
হৃদয় বেদীত মই আজিও সমাজবাদৰ কঠীয়া সিঁচোঁ
নিষ্পেষিত সমাধিবোৰেই মোৰ আলোক
মই সিহঁতক দিবলৈ খেপিয়াই চাওঁ মোৰ
শীৰ্ণ উষাৰ মাজত নীৰৱ হৈ থকা
দিগন্ত সন্ধানী ওংকাৰ ধাম গঢ়াৰ গান।
মই অনিৰ্ব্বাণ
গাই যাওঁ অনল গীত।

---

# ॥ তোমাৰ শেহ গান ॥

শ্ৰীবসন্ত কুমাৰ দত্ত
অধ্যাপক, অসমীয়া বিভাগ

সময়ৰ কবৰত পোত গ'ল উন্মাদ কোলাহল
এতিয়া অলপ ভাবিবলৈ আৰু
কিবা এটা কৰিবলৈ মন যায়।
ঘৰৰ ভিতৰত ইমান এলান্ধু
মূৰৰ ওপৰৰ বেলিটো ইমানকৈ
কাৰ বাবে জিলিকিছে
শতাব্দীৰ শীর্ণ দুৱাৰ ভাঙি
বাহিৰৰ বতাহ জাক এই আহে এই আহে
সুৱদী শব্দৰ কাকলিত নিগৰে
তোমাৰ সুকোমল কঠিন অনুভূতি
সাৰ পায় যন্ত্ৰণাৰ করুণ নিশ্বাস
বজ্ৰসম উদাত্ত কণ্ঠত,
পুৰণিৰ মোহলগা সাধুৰ সমাধিত তেতিয়া
দুঃস্বপ্নৰ ৰাতিৰ অন্তিম আখৰা
জীৱনৰ তালে তালে তাণ্ডৱ নাচি
ঘামৰ টোপাল পেলাই
অনুৰ্ব্বৰ কঠীয়াতলি কৰিলা উৰ্ব্বৰ
মুক্তিৰ মায়াত মজি প্ৰিয় পৰ্যটক সাজি
কাটি গ'লা কাইটীয়া হাবি
বহুৰঙী হৈ আঁকি গ'লা 'অৰঙে-দৰঙে'
নগৰে-চহৰে প্ৰত্যয়দীপ্ত খোজৰ ছবি
হিয়াৰ আমঠু মিতিৰৰ বাবে।
উফৰি পৰিল শতৰুৰ নিৰ্দ্ধাৰিত
লোহাৰ শৃংখল বিশাল হাতৰ মুঠিত
মাৰ গ'ল দানবীয় হাঁহিৰ কল্লোল,
তোমাৰ মৃত্যুৰ দুৱাৰেদি ওলাই আহিল
একুৰা জুই—দুন্তৰ পথৰ জোৰ হৈ
বিস্ময়ত হতবাক পঙ্গপাল শৃগালৰ।
আচলতে এয়াই যে তোমাৰ জীৱনৰ
শেহ-গান পৃথিৱীৰ বাবে,
সেয়ে আজি-কালি অ'ত ত'ত
হৃদয়ৰ গভীৰত তোমাৰ খবৰ
ফেঁহুজালিত সাৰ পাই জুমি চায়
তোমাৰ অমিত তেজৰ লেখাত
'ঝাঞ্জা-বিজয়ী' মানুহৰ ইতিহাস
আহ,—এই মৃত্যু ইমান মুখৰ!



# ॥:বিহুতলী ৰণথলী হ'ব ॥

শ্ৰীখগেশ সেন ডেকা
প্ৰৱক্তা, অসমীয়া বিভাগ

লচপচী ৰচকী নাচনী
ৰতৰৰ বিহুগীত নাগাবি এথোন ।
আকালৰ জুয়ে পোৰে
ফুলাম গামোচা,
লঘোণীয়া দেহটোতে চাৰিমোন বোজা
বজাবচো নোৱাৰে। ঢোল পেঁপা গগনা
মোৰো দেখোন ৰাজহাড় বেঁকা ।

মহাজনী টকাৰ সুদকচা ধাৰ,
মোৰ আইৰ দুহাতৰ গামখাৰু মুঠিখাৰু
কাণৰ থুৰীয়া কেৰু
পথাৰৰ পকাধানো মহাজনৰ ভৰাললৈ যায় ।
(ডা-ডাঙৰীয়াৰ গুৰ-গুৰি -নলিচাত
ধোঁৱা হৈ উৰে,
তোৰে মোৰে সকলোৰে কপালৰ ঘাম ।)
ভাঙি যায় তোৰ
উঠন বুকুৰ সাঁচতীয়া সপোনৰ ঘৰ ।

লচপচী ৰচকী নাচনী,
উৰলা পঁজাৰ তোৰ বাঁহ চাঙত গুই গুই
দু-চকুৰে নোবোৱাবি
আহিনৰ আপদীয়া বান ।
এইবেলি ৰাইজে হুচৰি নাগায় হেনো,
বৰ আঁহতৰ তলতো নেপাতে
গ'ল বাৰৰ বহাগৰ বিহু,
অথনি ভদায়ে আহি ক'লেহি গুপুতে মোক ;
ডাঙৰীয়াৰ বৰ পাগ চুৰীয়াৰ বৰ ভেম
এইবাৰ এশিকনি দিয়াহে কথা ।
বিহুতলী ইবেলি ৰণথলী হ'ব,
দা-কোৰ হোলোঙা লৈ
তালৈকে সকলোটি যাব ।

লচপচী ৰচকী নাচনী
ৰতৰৰ বিহুগীত নাগাবি এথোন ।
এতিয়া ৰণশিঙা বজোৱাহে ভাল ।
ৰঙা আঁচু বোলোৱা ৰিহাৰ আঁচল
খামুচীয়া কঁকালত পোন্ধ মাৰি লৈ
পঁাজি সেবীয়া তোৰ কণ কণ আঙুলিৰে
ধান কটা কাঁচিখনহে
মুঠি মাৰি ধৰ ।

× ×



# ঃ এখন মুকলি আকাশৰ তলত, দুখন পৃথিৱী ঃ

শ্ৰীবীৰেন্দ্ৰ ৰাভা
উঃ মাঃ ২য় বাৰ্ষিক

এখনি মুকলি আকাশৰ তলত
ভাস্বত হয়
সিহঁতৰ দেহৰ শিথিলতা।
শ্ৰমক্লান্ত বনুৱাৰ দলটো
ৰান্ধনি বেলিৰ স'তে সোমাই পৰে
সৰু জুপুৰিৰ এন্ধাৰত ;
তাত আছে এখন সৰু পৃথিৱী
যিখন পৃথিৱীৰ বাবে সিহঁতে
গোটেই দিনটো বিচাৰি ফুৰে
শান্তি,
এখন মুকলি আকাশৰ তলত।

এজাক ৰাতিৰ ধুমুহাই ক্ৰমে ক্ৰমে
উদঙাই আনে পোহৰ
সিহঁত পুনৰ ওলাই আহে
জুপুৰিৰ এন্ধাৰৰ পৰা
সৰু পৃথিৱীখনৰ পৰা।

এনেকৈয়ে সিহঁতে পৰিভ্ৰমণ কৰি ফুৰে
দুখন পৃথিৱীত
এখন স্নেহ নামৰ হাঁহি, আনন্দেৰে ভৰা
মৰমৰ প্ৰেমৰ,
আনখন মজদুৰ নামৰ ক্লান্তিৰ ঘামেৰে বৈ পৰা
শ্ৰম শক্তি আৰু নিৰ্যাতনৰ
দুয়োখন পৃথিৱীয়েই
এখন মুকলি আকাশৰ তলত॥

## গল্প

# জীৱন পণ্ডিত

শ্ৰীক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
দ্বিতীয় বাৰ্ষিক, স্নাতক মহলা

আজি কাতি বিহু। সেই উপলক্ষে ওদাল গুৰি গাঁৱৰ ৰাজহুৱা নাম ঘৰত ৰাইজে বছৰেকীয়া ভাওনা পাতিব। দোক-মোকালিৰেপৰা গোটেইখন গাঁও উতুলি-মুতুলি। চাৰিওফালে এক উৎসৱ মুখৰ পৰিবেশ।

ঘৰৰ বাৰান্দাত আওপুৰণি চকীখনত বহি অৱসৰপ্ৰাপ্ত শিক্ষক শ্ৰীযুত জীৱন চন্দ্ৰ শইকীয়াই গাঁৱৰ মানুহবোৰৰ ব্যস্ততাৰ আলেখ-লেখ লৈছে। চিন্তাৰ এনাজৰী ৰগাই যাওঁতে তেখেতৰ চকুত স্পষ্ট-অস্পষ্ট অনেক ছবি ভাহি উঠিল। কালৰ কোবাল সোঁতত গাঁওখনৰ মানুহৰ পৰিবৰ্ত্তন ঘটি, কিদৰে সমাজৰ স্তৰে স্তৰে ক্লেদ জমা হৈ সমাজৰ ৰাজহাড় পচাই তুলি, সমাজ জীৱন ভয়ঙ্কৰ কৰি তুলিছে তাক এবাৰ বিশ্লেষণ কৰি চাবৰ মন গ'ল তেওঁৰ।

গাঁওখনত তেখেতক সকলোৱে জীৱন পণ্ডিত বুলিয়েই জানে। পূৰ্বপুৰুষৰপৰা উত্তৰাধিকাৰ সূত্ৰে পোৱা 'শইকীয়া' উপাধি লুপ্ত হৈ পণ্ডিত উপাধিৰে ভূষিত হোৱাৰ গুৰিতেও আছে এক ইতিহাস—সংগ্ৰামৰ, মহানতাৰ। কিন্তু আজি? আজি সেই জীৱন পণ্ডিত অস্পৃশ্য, সমাজৰ চকুত আৱৰ্জনা সদৃশ।

আজিৰ পৰা প্ৰায় দুকুৰি বছৰৰ আগৰ কথা। অজ্ঞান অন্ধকাৰত ডুব গৈ থকা ওদালগুৰি গাঁৱলৈ জীৱন পণ্ডিতেই আনিছিল জ্ঞানৰ দীপ শিখা। সেই শিখাৰ উজ্জ্বল আলোকত দীপ্যমান হৈছিল ওদালগুৰি গাঁও। ব্যক্তিগত স্বাৰ্থতকৈ সমাজৰ স্বাৰ্থক মহান বুলি ভবা জীৱন পণ্ডিতে নিজৰ মাটি এবিঘা দান কৰি হাতৰ ধন খৰচ কৰি এদিন সাজিছিল "ওদালগুৰি প্ৰাথমিক বিদ্যালয়"। অশেষ কষ্ট স্বীকাৰ কৰি গঢ় দিয়া স্কুলখনৰ, বৰ্তমান অৱস্থাটোৱে মনত পৰিল তেওঁৰ। চৌহদৰ আটক ধুনীয়া ফুলনি বাৰীখন এতিয়া আৰু নাই। অথচ চকোৱা দিয়াৰ নামত বছৰি নিৰ্দিষ্ট পৰিমাণৰ ধন খৰচ হৈয়ে আছে। ঘৰ মেৰামতিৰ বাবদ যোৱাবেলি চৰকাৰে দহ হাজাৰ টকাৰ একালীন অনুদান আগবঢ়াইছিল। কিন্তু তাৰে কিমানখিনি টকা স্কুলৰ কামত খৰচ কৰা হ'ল সেয়া স্কুলৰ ৰৰমুৰীয়া

সকলেহে জানে। সমাজৰ পাৰত গজা কেই-জনমান মুখাপিক্ষা ভদ্ৰলোকে মহান অনুষ্ঠানটিৰ প্ৰাচীন ঐতিহ্য এটি এটিকৈ ধ্বংস কৰিলে।

সু-শিক্ষাই মানুহৰ অন্তৰত চেতনা জগায়। চেতনাই আনে বিপ্লৱ। যি বিপ্লৱে সমাজত প্ৰচলিত অন্যায়, উৎপীড়ন, শোষণ, দুৰ্নীতি আদি মষিমূৰ কৰি এখন সুস্থ-সৱল তথা নিকা সমাজ গঢ়াত সহায় কৰে,—এইবোৰ কথা জীৱন পণ্ডিতক তেওঁৰ সংগ্ৰামী জীৱনৰ অভিজ্ঞতাই শিকাইছে। তেওঁৰ আপ্ৰাণ চেষ্টাৰ ফলতেই স্থাপন হৈছিল আন এটি মহান অনুষ্ঠান 'প্ৰগতি পুথিভঁৰাল'ৰ। নিজৰ দৈনন্দিন জীৱনৰ এশ-একুৰি সমস্যাকো আওকাণ কৰি তেখেতে পুথিভঁৰালৰ যাৱতীয় কাম-কাজৰ গুৰু দায়িত্ব বহন কৰিছিল। আৰু বাইজৰ অনুদানেৰে পুথিভঁৰালৰ বাবে চকী-মেজ আলমাৰী তৈয়াৰ কৰাৰ উপৰিও চৰকাৰৰ ঘৰলৈ বহুবাৰ বাটকুৰি বাই হ'লেও এটি 'গ্ৰামোফন' আনিছিল। সন্ধিয়া গ্ৰামোফনটো বজাই দিয়াৰ লগে লগে গাঁৱৰ ডেকা-বুঢ়া সকলোৰে মুখত বিৰিঙি উঠিছিল অনাবিল হাঁহি। অথচ আজি? আজি জীৱন পণ্ডিত এইখন গাঁৱৰ বাবে এজন আচহুৱা ব্যক্তি। মানুহৰ মূৰ্খামি দেখি দুখৰ মাজতো পণ্ডিতৰ হাঁহিহে উঠিল। কালৰ কি নিষ্ঠুৰ পৰিহাস! এইৰিলাক মানুহেই এদিন জীৱন পণ্ডিতৰ এষাৰ কথাতে ওদালগুৰি আৰু শিমুলুগুৰি গাঁৱৰ মাজেৰে বৈ যোৱা মকৰাজান নৈৰ ওপৰত নিৰ্মাণ কৰিছিল কাঠৰ দলং। কিন্তু সেই গৰাকী পণ্ডিতক আজি কোনেও স্মৰণ নকৰে; আনকি বাটত দেখিলেও মানুহে মুখ ঘূৰাই লয়। অতি কষ্টেৰে গঢ়ি তোলা 'প্ৰগতি পুথিভঁৰাল' তেওঁৰ চকুৰ আগতে ধ্বংস হ'ল। ঘৰৰ বেৰ-চাল মেৰামতিৰ অভাৱত জহি-খহি গ'ল। আচবাব পত্ৰই কাৰো কাৰো ঘৰ শুৱনি কৰিলে গৈ। গ্ৰামোফনটোও নাইকিয়া হ'ল। তাতোকৈও ডাঙৰ কথা পুথিভঁৰালটোৰ অমূল্য গ্ৰন্থৰাজি আজি আৰু পাবলৈ নাই। কিছুমান ধ্বংস হ'ল আৰু কিছুমান কাৰোবাৰ ব্যক্তিগত সম্পত্তি হ'ল। এনেবোৰ ঘটনাই জীৱন পণ্ডিতক বাৰুকৈয়ে কষ্ট দিছে।

ওদালগুৰি গাঁৱৰ মাজত থকা বৃহৎ 'দুধ কুঁৱৰী' বিলখনৰ কথাও জীৱন পণ্ডিতৰ মনলৈ আহিল। এই বিলখনেই আছিল ৰাইজৰ উন্নতিৰ মূল হাতিয়াৰ স্বৰূপ। বছৰি দহ/পোন্ধৰ হেজাৰ টকা এই বিলখনৰ পৰাই ৰাইজে উপাৰ্জন কৰিছিল। এবাৰ পঞ্চায়তে নিৰক্ষৰ মানুহৰ দুৰ্বলতাৰ সুযোগ লৈ বিলখন হাত কৰাৰ চেষ্টা কৰিলে। ফলস্বৰূপে ৰাইজ আৰু পঞ্চায়তৰ মাজত কাজিয়া হ'ল। ৰাইজৰ হৈ জীৱন পণ্ডিতেই চহৰৰ আদালতত গোচৰ দিলে। অৱশেষত ৰাইজে বিলখন ভোগোতাই পালে। আজি কিন্তু ৰাইজৰ সমূলি চেতনা নাই। বিলখন বলেন মহাজনে অতি কৌশলেৰে হাত কৰিলে। যিখন গাঁৱৰ বলিষ্ঠ সংগঠনে এসময়ত ওচৰচুবুৰীয়া গাঁওবোৰকো অনুপ্ৰেৰণা যোগাইছিল—সেইখন গাঁৱৰ ৰাইজৰ একতাৰ বান্ধ ক্ৰমান্বয়ে শিথিল হৈ আহিল। দুখীয়াৰ দুৰ্বলতাৰ সুযোগ লৈ কেইজনমান নতুন ধনীয়ে শোষণৰ কৌশলী জাল তৰিলে। ফলত জুহালৰ মেল দিনক দিনে বাঢ়িল। ধনী মানুহ কেইজনক কেন্দ্ৰ কৰি ৰাইজ সৰু সৰু দলত বিভক্ত হ'ল।

জীৱন পণ্ডিতে ক'ৰবাত পঢ়িছিল—'যিমানে বিলাব্বা সিমানে মহান হ'বা। তেওঁ চোন সমগ্র জীৱন বিলাই দিলে ৰাইজৰ স্বাৰ্থত। কিন্তু মহান হ'ব পাৰিলে জানো? সমগ্র জীৱন ৰাইজৰ স্বাৰ্থত ত্যাগ স্বীকাৰ কৰাৰ পাছত পণ্ডিতে পালে কি?? এসময়ত ৰাইজৰ মেল মিটিং, বিয়া-সবাহত জীৱন পণ্ডিতৰ উপস্থিতি আছিল একান্ত প্ৰয়োজনীয়। অথচ আজিচোন জীৱন পণ্ডিত নোহোৱাকৈয়ে সমাজ চলি আছে। যিসকলক তেওঁ এসময়ত পঢ়ুৱাইছিল—যিসকলে বাটত তেওঁক দেখিলে ফৰিং ছিটিকা দিছিল, সেই সকলেই আজি-কালি তেওঁক দেখিলে ইতিকিং কৰে।

জীৱন পণ্ডিতৰ চকু হঠাৎ বাটলৈ গ'ল। ধুনীয়াকৈ সাজি-পাৰি কেইজনমান ডেকা সংগীৰে সৈয়া বীৰবল ডেকা—তেওঁৰ এসময়ৰ ছাত্ৰ। এতিয়া বীৰবলেই ৰাইজৰ নেতা। যোৱা কংগ্ৰেছ প্ৰশাসনৰ সময়ত দালালী আৰু চোৰাং ব্যৱসায়ৰ দ্বাৰা একেবছৰে ধনী হোৱা এইজন ব্যক্তি কেনেকৈ সমাজৰ লাই-খুটা হৈ পৰিল তাৰ কাৰণ তেওঁৰ অজ্ঞাত। গাঁৱৰ আঠাই-কেইটা দলৰ ভিতৰত বীৰবলৰ দলটোৱেই বৃহৎ আৰু শক্তিশালী দল। গাঁৱৰ কণ কণ ল'ৰা-ছোৱালীৰ শাৰীৰিক মানসিক উৎকৰ্ষ সাধনৰ বাবে চৰকাৰৰ পৰা পোৱা পাঁচ হাজাৰ টকা বীৰবলেই আত্মসাৎ কৰিলে। ৰাইজে কিন্তু বিচাৰ কৰাৰ কোনো প্ৰয়োজনবোধ নকৰিলে। পূৰ্বৰ "ওদালগুৰি গ্ৰাম্য উন্নয়ন সমিতি" ভঙ্গ কৰি দি এখন নতুন সমিতি গঠন কৰি বীৰবল হৈ পৰিল গাঁৱৰ সৰ্বেসৰ্বা। আজি-কালি গাঁৱৰ ৰাইজ বীৰবলৰ কথামতেই উঠা-বহা কৰে।

এসময়ৰ ওদালগুৰি গাঁৱৰ নমস্য ব্যক্তি জীৱন পণ্ডিত আজি সমাজ পৰিত্যক্ত। কিন্তু দোষ তেওঁৰ কোনখিনিত? ৰাইজৰ অহিত তেওঁ কোনো-দিনেই চিন্তা কৰা নাই। দোষ কৰিছিল তেওঁৰ মাজু ল'ৰা বাপধনে। বৰ্তমান সি যোৰহাটত চাকৰি কৰে। তাৰেই চুতীয়া ছোৱালী এজনীক বিয়া কৰায়। জীৱন পণ্ডিতৰ মানসিকতাত কোনো অন্ধ সংস্কাৰ নাই। জাত-পাতৰ বিচাৰ তেওঁ নকৰে। গতিকে পো-বোৱাৰী বিয়াৰ এমাহ পিছত ঘৰলৈ অহাত জীৱন পণ্ডিতে গঞা ৰাইজক মাতি এসাজ খুৱাবলৈ মন কৰিলে। যথাসময়ত ৰাইজৰ দুই-চাৰিজন লোক আহিল যদিও বেছি ভাগ নহাকৈয়ে থাকিল। যিসকল আহিল তেওঁলোককো পিছত ৰাইজ-মেলত দণ্ড বিহিলে আৰু পণ্ডিতক এঘৰীয়া কৰিলে। পণ্ডিতে শুনি তীব্ৰ মানসিক আঘাত পালে। ৰাইজৰ অন্যায় বিচাৰত পণ্ডিত ক্ষুদ্ধ হৈ উঠিলেও তেওঁ প্ৰকাশ নকৰি মনে মনে থাকিল। তেওঁ বুজি পালে এয়া তেওঁৰ প্ৰতি কাৰোবাৰ আক্ৰোশৰ উদগীৰণ। নহ'লে সেই গাঁৱৰে গোসাঁইৰ ল'ৰা মনেশ্বৰ, গাঁওবুঢ়াৰ ল'ৰা পীতাম্বৰ আদিয়ে নিম্ন-জাতৰ ছোৱালী পলুৱাই আনি পিছত ঘৰতে বিয়া পতাত সেই বিয়াত ৰাইজে বাধা দিলে-হেঁতেন।

পণ্ডিতে পাহৰা নাই—সেই আহাৰ মহীয়া ঘটনাটোৰ কথা। সিবাৰ দ'ৰ খৰ হৈছিল। বহুদিনলৈকে বৰষুণ নোহোৱাত খেতি পথাৰ শুকাই ফাট মেলিবলৈ আৰম্ভ কৰিছিল। ৰলেন মহাজনে ৰসেশ্বৰ মৌজাদাৰৰ লগ হৈ মকৰাজান

নদীৰ উজনীত বান্ধ দি নিজৰ নিজৰ খেতি পথাৰত পানী তুলি পৰম আনন্দেৰে খেতি কৰাত লাগিল। খেতি পথাৰৰ পৰা পানী ওলাই যাব নোৱাৰাকৈ ওখ ওখ আলি দিলে। ফলস্বৰূপে, গাঁওখনৰ বাকীখিনি মানুহ বিপাঙত পৰিল। নদীৰপৰা পানী সিঁচি নি শালি ধানৰ কঠিয়া পৰাৰ কথা কোনো কোনোৱে ভাবিছিল যদিও এতিয়া অসু-বিধাই দেখা দিলে। কাণ্ড-কাৰখানা দেখি গাঁৱৰ কেইজনমান উতনুৱা ডেকা ল'ৰাই মনে মনে নদীৰ বান্ধ কাটি দিলে। মৌজাদাৰ আৰু মহাজনে গম পালত দ্বিতীয় কুৰুক্ষেত্ৰ হোৱাৰ উপক্ৰম হ'ল। গাঁৱলৈ ৰঙা টুপি পিন্ধা পুলিচ আহিল। ল'ৰা কেইজন মানক ধৰি নি হাজোতত ভৰাই থলে। ঘটনাৰ বেগতিক ৰূপ দেখি পণ্ডিত বহি থাকিব নোৱাৰিলে। পণ্ডিতৰ বাকপটুতা আৰু যুক্তিৰ আগত মহাজন মৌজাদাৰ দুয়ো হাৰ মানিলে আৰু গোচৰটো উঠাই আনিলে। পণ্ডিতৰ চেষ্টাত বিশেষ অঘটন নঘটা-কৈয়ে সেই কথাৰ সিমানতে সামৰণি পৰিল। অথচ সেইজন জীৱন পণ্ডিতক ৰাইজে বিনা দোষতে জুই-পানীৰ আলাগ কৰিলে।

জীৱন পণ্ডিতে জানে আচলতে গাঁৱৰ নিৰক্ষৰ মানুহখিনিৰ কোনো দোষ নাই। টকাই মানুহৰ মন কিনি পেলাইছে। নহ'লে বীৰবলৰ দৰে ৰাজনীতিত হেতালি খেলা লোক এজনে সমাজৰ আগশাৰীত স্থান পায় নে? এদিন হয়তো আহিব, যিদিনা মানুহে নিজৰ ভুল বুজিব পাৰিব। পণ্ডিতৰ ওচৰলৈ আকৌ আহিব আগৰ নিচিনাকৈ। চাকৰি তথা ধনৰ লালসাত বীৰবলৰ চৌকাষে গোটখোৱা মানুহখিনিয়ে এদিন তাৰ ভণ্ডামি ধৰা পেলাব·· ।

এইদৰে চিন্তাৰ সাগৰত ডুব গৈ থাকোঁতে বেলি মূৰৰ ওপৰ পালেহি। নামঘৰত ডবা-কাঁহ শংখ বাজি উঠিল। ৰাইজে হৰিধ্বনি দিলে। সেই ধ্বনিয়ে জীৱন পণ্ডিতৰ কাণৰ পৰ্দাত আঘাত কৰিলে। তেওঁৰ চিন্তাত যতি পৰিল। সন্মুখৰ মেজখনলৈ চকু যোৱাত তেওঁ দেখিলে ঘৈণীয়েক সুপ্ৰিয়াই দি যোৱা চাহ কাপ তেনেই চেঁচা পৰি গৈছে। গাঁৱৰ নিৰক্ষৰ মানুহখিনিৰ যে কোনো দোষ নাই, এদিন তেওঁলোক পণ্ডিতৰ কাষলৈ পুনৰ উভতি আহিব—এই আশাতেই তেওঁৰ মুখত পোহৰ বিৰিঙি উঠিল।



# নতুন পথ

মঃ ফজলুৰ ৰহমান খান
উঃ মাঃ ১ম বাৰ্ষিক

ধনঞ্জয়হঁতৰ তামোল খোৱা গাঁওখন অতি পুৱণি গাঁও। গাঁওখনত প্ৰায় দেৰশ ঘৰ মানুহ আছে। খেতিয়েই এই মানুহখিনিৰ জীয়াই থকাৰ প্ৰধান অৱলম্বন। কিন্তু মাটিৰ পৰিমাণ নিচেই কম হোৱা বাবে ক্ৰমান্বয়ে তেওঁলোকৰ অৱস্থা বেয়াৰ ফাললৈ গৈ আছে। দেশ স্বাধীন হোৱাৰ ৩৮ বছৰ পাছতো গাঁওখনৰ বিশেষ একো পৰিবৰ্তন হোৱা নাই। উৎপাদনৰ আহিলাৰ পৰিবৰ্তনৰ অভাৱত দিনে দিনে এচাম মানুহ দুখীয়া হৈ গৈ আছে। আনহাতে উৎপাদনত এচাম মানুহ প্ৰত্যক্ষভাবে জড়িত নোহোৱাকৈও দিনে দিনে ধনী হৈ গৈছে।

তামোলখোৱা গাঁৱৰে দুখীয়া খেতিয়ক সংৰাম। তাৰ মাটি মাত্ৰ তিনিবিঘা। তাতে খেতিবাতি কৰি আৰু আজৰি সময়ত হাজিৰা কৰি কোনোমতে পৰিয়ালটো পোহপাল দি আছে।

ধনঞ্জয় সংৰামৰ একমাত্ৰ পুত্ৰ। ছোৱালী দুজনীক ইতিমধ্যে বিয়া দি উলিয়াই দিয়া হৈছে। কঠোৰ পৰিশ্ৰমেৰে ধনঞ্জয়ক সংৰামে বি, এ, পাছ কৰালে। কিন্তু আজি দুবছৰে ধনঞ্জয়ে সাধাৰণ চাকৰি এটাকে যোগাৰ কৰি লব নোৱাৰিলে। বাপেকৰ উপাৰ্জনতো সি কোনো ধৰণৰ সহায় আগবঢ়াব পৰা নাই। কেতিয়াবা তাৰ দুখ লাগে, তেতিয়া নিজকে ধিক্কাৰ দিয়ে সি। তাৰ বাহিৰে যে কেতিয়াবা তাৰ কৰিবলগীয়া একোৱেই নাই। দেশৰ শিক্ষা ব্যৱস্থাই মানুহক কৰ্মবিমুখ হ'বলৈহে শিকাইছে— ধনঞ্জয়ে ভাৱে।

এনে এটা পৰিস্থিতিতে এদিন হঠাৎ সংৰাম টান নৰিয়াত পৰিল। ধনঞ্জয়ে চিকিৎসাৰ ত্ৰুটি নকৰিলে। সাঁচতীয়া পইচাৰ অভাৱত ৰুপিত মাটি এবিঘা বংমন মহাজনৰ তাত বন্ধকত থৈ বাপেকক গুৱাহাটী চহৰৰ হস্পিতেললৈ লৈ গ'ল। কিন্তু সংৰাম ভাল হৈ নুঠিল। ধনঞ্জয়হঁতক শোক সাগৰত পেলাই সংৰাম আঁতৰি গ'ল। ভৰ বয়সত কৰা কঠোৰ পৰিশ্ৰমেই যে বাপেকৰ মৃত্যুৰ কাৰণ এই কথা ধনঞ্জয়ে বাৰুকৈয়ে উপলব্ধি কৰিলে। বাপেকৰ মৃত্যুত ধনঞ্জয়ে চাৰিওফালে অন্ধকাৰ দেখিলে। ইমানদিনে চৰায়ে পোৱালিক ডেউকাৰে আৱৰি ৰখাৰ দৰে বাপেকেও তাক কোনো ধৰণৰ কষ্ট নিদিয়াকৈ ৰাখিছিল। কিন্তু এতিয়া ? বাপেকৰ শ্ৰাদ্ধাদি প্ৰেতকৰ্ম কৰিবলৈকো